# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 02-11-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::**

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলাইছে। বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই ভোটাৰৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে। ইফালে, বিহালী বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পৱিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক দিগন্ত কলিতাই বিভিন্ন স্থানত প্ৰচাৰ অভিযান চলোৱাৰ পাছত সমষ্টিটোত নিৰ্বাচনী তৎপৰতা তুংগত উঠিছে। একেদৰে কাছাৰৰ ধলাই বিধানসভা সমষ্টিত আৰু চিৰাঙৰ চিদলী সমষ্টিতো প্ৰাৰ্থী আৰু সমৰ্থকসকলে ব্যাপক প্ৰচাৰ চলাইছে। চামগুৰি সমষ্টিতো বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ কেবিনেট মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা বিমল বৰাই কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সমষ্টিটোত নিৰ্বাচনী প্ৰস্তুতিৰ বিষয়ে বিতংকৈ জনাবলৈ আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া –

-বাইট-

০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাৰ উদ্যোগত অহা ৫ ৰ পৰা ১১ নৱেম্বৰলৈ দুলীয়াজানৰ বিহুতলীত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। এই গ্ৰন্থমেলাত অসমৰ ভালেমান আগশাৰীৰ প্ৰকাশন গোষ্ঠীৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইবাটাও প্ৰকাশন গোষ্ঠীয়ে অংশগ্ৰহণ কৰিব। পৰিষদে জনোৱা অনুসৰি গ্ৰন্থমেলাৰ বাকৰিত ভিন ভিন সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচীও গ্ৰহণ কৰা হ'ব।

০০০

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড মেৰাপানী সীমান্তত আজি ১৪২ নম্বৰ চি আৰ পি এফৰ সেনাই বাৰ্মিজ চুপাৰীভৰ্তি দুখন ট্ৰাক জব্দ কৰে। ডিমাপুৰৰ পৰা গুৱাহাটী অভিমুখে আহি থকা ট্ৰাক দুখনত গোপনে কেইবালাখ টকা মূল্যৰ বাৰ্মিজ চুপাৰী মেৰাপানীয়েদি পাৰ কৰিবলৈ লওঁতে চি আৰ পি এফৰ তালাচীত ধৰা পৰে। চি আৰ পি এফে বাহন দুখনৰ চালক দুজনক নাগালেণ্ডৰ ভান্দাৰী আৰক্ষীক গটাই দিয়ে।

০০০

চিবিআই বিশেষ আদালতে ট্ৰেডিং কেলেংকাৰীৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ৪ জন অভিযুক্তক আজি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। এই ৪জন অভিযুক্ত হৈছে বিশাল ফুকন, ৰঞ্জিত কাকতি, অভিজিৎ চান্দ আৰু স্বপ্নীল দাস। পূৰ্বৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই আজি চাৰিওজন অভিযুক্তক আদালতত হাজিৰ কৰোৱায়। পাছত আদালতে আটাইকেইজনকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। অহা ১৩ নৱেম্বৰত চাৰিওজন অভিযুক্তক পুনৰ চিবিআইৰ বিশেষ আদালতত হাজিৰ কৰোৱাব লাগিব।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত সতৰ্কতা সপ্তাহ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই অনুষ্ঠানত তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান সুৰেন্দ্ৰ কুমাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০

অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত কাইলৈৰ পৰা ৯ নৱেম্বৰলৈকে ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হ'ব। অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ বিৰল স্বীকৃতিক প্ৰতিজন অসমীয়াৰ ওচৰলৈ নিয়াৰ লক্ষ্যৰে প্ৰথমবাৰৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ অধীনত প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ কৰা হ'ব। তদুপৰি ভাষা গৌৰৱ সপ্তাহৰ লগত সংগতি ৰাখি অসমীয়া ভাষাৰ লগতে ৰাজ্যৰ অন্যান্য সৰু-বৰ ভাষাৰ বিকাশ-বিৱৰ্তন সন্দৰ্ভত তথ্যপূৰ্ণ আলোচনাৰো আয়োজন কৰা হৈছে। এই আয়োজনৰ এটা প্ৰধান কাৰ্যসূচী হিচাপে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰা হ'ব। ইয়াৰ লগতে অসমীয়াকে ধৰি ৰাজ্যৰ ১৪ টা ভাষাত শৈক্ষিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

গুৱাহাটীত কাইলৈ ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুও উপস্থিত থাকিব। ৰাজ্য চৰকাৰৰ আন আন মন্ত্ৰীসকল বিভিন্ন জিলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ৪ নৱেম্বৰৰ পৰা ৰাজ্যৰ বিদ্যালয়, মহাবিদ্যালয় আৰু বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানে নিজাববীয়াকৈ ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ কাৰ্যসূচী গ্ৰহণ কৰিব।

০০০

সমাপ্ত